# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-DEC-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
--------------------

১।	কটন বিশ্ববিদ্যালয়ৰ চতুৰ্থ সমাৱৰ্তন সমাৰোহ সম্পন্ন। জুবিন গাৰ্গলৈ মৰণোত্তৰভাৱে ডি-লীট।

২।	পি এম আবাস যোজনা গ্ৰামীণৰ অন্তৰ্গত ৩ লাখৰো অধিক হিতাধিকাৰীলৈ ৰাজ্যত গৃহ নিৰ্মাণৰ অনুমোদন পত্ৰ।

৩।	অসম আন্দোলনৰ ছহিদসকলৰ স্মৃতিত নিৰ্মাণ কৰা ছহিদ ক্ষেত্ৰ কাইলৈ আনুষ্ঠানিকভাৱে উদ্বোধন। ছহিদ দিৱসৰ পূৰ্বে আজি গুৱাহাটীৰ পশ্চিম বৰাগাঁৱৰ ছহিদ স্মাৰক ক্ষেত্ৰত ছহিদৰ স্মৃতিত বিশেষ অনুষ্ঠান।

৪।	ইণ্ডিগ’ বিমান বাতিলৰ ঘটনাৰ বুজ ল’বলৈ কেন্দ্ৰীয় অসামৰিক বিমান মন্ত্ৰালয়ৰ উপ-সঞ্চালক বিজয় প্ৰতাপ সিঙৰ গুৱাহাটীত সংবাদমেল।

**আৰু**

৫।	কটকৰ বাৰাবতী ষ্টেডিয়ামত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেল।

ooooo

ৰাজ্যপাল আৰু কটন বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই  আজি বিশ্ববিদ্যালয়খনৰ চতুৰ্থ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰে। সমাৱৰ্তন ভাষণত ৰাজ্যপালগৰাকীয়ে ২০৪৭ চনলৈ ভাৰতবৰ্ষ এখন বিকশিত ৰাষ্ট্ৰত পৰিণত কৰাৰ সপোন পূৰণ কৰাৰ দায়িত্ব দেশৰ নৱপ্ৰজন্মৰ ওপৰতে ন্যস্ত আছে বুলি মন্তব্য কৰে। এই সমাৰোহত দুহেজাৰ ৮০৪ গৰাকী পি এইচ ডি, স্নাতক, স্নাতকোত্তৰ তথা ডিপ্ল’মাৰ শিক্ষাৰ্থীক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। তদুপৰি শৈক্ষিক উৎকৰ্ষতাৰ বাবে ১২৫ গৰাকী শিক্ষাৰ্থীক স্বৰ্ণ পদক প্ৰদান কৰা হয়। উল্লেখযোগ্য যে এই সমাৰোহত জনতাৰ শিল্পী জুবিন গাৰ্গক মৰণোত্তৰভাৱে ডি-লীট উপাধি প্ৰদান কৰা হয়। শিল্পীগৰাকীৰ ভগ্নী পামি বৰঠাকুৰে এই সন্মান গ্ৰহণ কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও আজি কটন বিশ্ববিদ্যালয়ৰ চতুৰ্থ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই শিক্ষাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয়, যে ১৯৮৫ চনত অসম আন্দোলনৰ পাছত অসম চুক্তি স্বাক্ষৰিত হৈছিল। সকলোৰে ৰাজ্যখনক লৈ ইতিবাচক মনোভাৱ পোষণ কৰি আছিল যদিও আলফাকে ধৰি বিভিন্ন উগ্ৰবাদ তথা গুপ্তহত্যাৰ দৰে বিষয়সমূহে ৰাজ্যখনৰ সমাজ

ব্যৱস্থা স্খলিত কৰিছিল বুলি তেওঁ উল্লেখ কৰে। এনে নেতিবাচক পৰিৱেশৰ পৰিৱৰ্তে সম্প্ৰতি ৰাজ্যখন উন্নয়ন আৰু প্ৰগতিৰ নতুন দিগন্তৰ দিশে ধাৱমান হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

বাইট (চি এম)

ৰাজ্যত সম্প্ৰতি কমেও ২৫ খন বিশ্ববিদ্যালয়, ১৫ খন চিকিৎসা মহাবিদ্যালয়, ২০ খন অভিযান্ত্ৰিক মহাবিদ্যালয় তথা বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানসমূহ স্থাপনৰ জৰিয়তে বিদ্যাৰ্থী সমাজে নতুন সুযোগ-সুবিধা লাভ কৰা বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যত ঔদ্যোগিকীকৰণৰ নতুন পৰিৱেশ গঢ়ি উঠিছে। দুৰ্নীতি অবিহনে যোগ্য নিবনুৱাই সংস্থাপনৰ সুবিধা লাভ কৰা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। সাংস্কৃতিক, ক্ৰীড়া আদি সকলো ক্ষেত্ৰতে নতুন প্ৰয়াসৰ জৰিয়তে ৰাজ্যখন সম্প্ৰতি দেশৰ ভিতৰতে শক্তিশালী ৰাজ্যত পৰিণত হোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই প্ৰসঙ্গতে মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই অনা মহিলা ক্ৰিকেটাৰ চিমু দাসৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আগ্ৰহেৰে এই বিষয়টো মুখ্যমন্ত্ৰীক ফোনযোগে অৱগত কৰাৰ বিষয়ে উল্লেখ কৰে। নগাঁও জিলাৰ দিব্যাংগ ক্ৰিকেটাৰ চিমু দাসে ভাৰতীয় দিব্যাংগ ক্ৰিকেট দলক প্ৰতিনিধিত্ব কৰি গৌৰৱান্বিত কৰাৰ কথাটো মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত ৰাজ্যৰ হিতাধিকাৰীসকলক মঞ্জুৰী পত্ৰ বিতৰণৰ ৰাজ্যিক কাৰ্যসূচী আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বকোৰ গান্ধী ময়দানত উদ্বোধন কৰে। ২০২৫-২৬ বৰ্ষৰ বাবে তিনি লাখৰো অধিক হিতাধিকাৰীক এই মঞ্জুৰী পত্ৰ প্ৰদান কৰা হ'ব। কেন্দ্ৰীয়ভাৱে বকোত আয়োজিত বিতৰণ কাৰ্যসূচীত উপস্থিত থাকি মুখ্যমন্ত্ৰীয়ে কয়, যে এই আঁচনিৰ অধীনত চৰকাৰে বহুসংখ্যক নতুন হিতাধিকাৰীকো অন্তৰ্ভুক্ত কৰিব। পূৰ্বে অতি ন্যূনতম পৰিমাণত আৱণ্টন কৰা ধনৰাশিৰ তুলনাত বৰ্তমান চৰকাৰে এই আঁচনিৰ ঘৰ নিৰ্মাণৰ বাবে হিতাধিকাৰীসকলক ডেৰ লাখকৈ টকা দিয়াটো তাৎপৰ্যপূৰ্ণ বুলিও তেওঁ মন্তব্য কৰে। সম্প্ৰতি যোগ্য সকলেহে চৰকাৰী আঁচনিৰ জৰিয়তে উপকৃত হোৱাৰ সুযোগ পাইছে বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই উল্লেখ কৰে।

লখিমপুৰ জিলাত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ মঞ্জুৰী পত্ৰ মুঠ ৪৫৮টা পৰিয়ালৰ হাতত অৰ্পণ কৰা হয়। এই অনুষ্ঠানত বিধায়ক মানব ডেকা, জিলা আয়ুক্তকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

যোৰহাট জিলাৰ চাৰিওটা বিধানসভা সমষ্টিতো আজি এই অনুমোদন পত্ৰ আনুষ্ঠানিক বিতৰণ কৰা হয়। যোৰহাট বিধানসভা সমষ্টিৰ বাবে যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহত আৰু তিতাবৰ মৰিয়নি তথা টীয়ক বিধানসভা সমষ্টিতো এই উপলক্ষে অনুমোদন পত্ৰ বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হয়।

শ্ৰীভূমি জিলাতো মন্ত্ৰী কৃষ্ণেন্দু পালৰ উপস্থিতিত ৪ হাজাৰ ২২৬ গৰাকী হিতাধিকাৰীক নতুন ঘৰ নিৰ্মাণৰ মঞ্জুৰী পত্ৰ প্ৰদান কৰা হয়।

ধুবুৰী, ওদালগুৰি, তামুলপুৰ, মঙলদৈ, মানকাচৰ, নলবাৰী, কোকৰাঝাৰ, বিশ্বনাথ আদিতো প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত হিতাধিকাৰীসকলক গৃহ নিৰ্মাণৰ মঞ্জুৰী পত্ৰ প্ৰদান কৰা হয়।

০০০০০

ঐতিহাসিক অসম আন্দোলনত বহু লোকে প্ৰাণ আহুতি দিছিল, বহু লোক চিৰদিনলৈ ঘূণীয়া হৈছিল, বহু মাতৃৰ বুকু সুদা হৈছিল, বহু পত্নীৰ সেন্দুৰ মছা গৈছিল, বহু সন্তান অনাথ হৈছিল। ১৯৮৫ চনত অসম চুক্তি

স্বাক্ষৰিত হোৱাৰ লগে লগে অসম আন্দোলনৰ পৰিসমাপ্তি ঘটিছিল যদিও অসম আন্দোলনৰ ছহিদসকলে প্ৰাপ্য স্বীকৃতিৰ পৰা বঞ্চিত হৈছিল। বহুকেইখন চৰকাৰ আহিল আৰু গ'ল, কিন্তু অসম আন্দোলনৰ ছহিদসকল লোকচক্ষুৰ পৰা আঁতৰি থাকিল। শেহতীয়াকৈ অসম চৰকাৰৰ উদ্যোগত অসম আন্দোলনৰ ছহিদসকলৰ প্ৰকৃত সংখ্যা নিৰূপণ কৰা হ'ল আৰু তেওঁলোকৰ তথ্য প্ৰণালীবদ্ধভাৱে সংৰক্ষণ কৰা হ'ল। এই প্ৰয়াসৰ অংশ হিচাপে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ল আৰু এই কাম সম্পূৰ্ণ হৈ উঠিল। এই ছহিদ স্মাৰকত মুঠ ৮৬০গৰাকী ছহিদৰ বহুসংখ্যকৰে প্ৰতিচ্ছবি সংৰক্ষণ কৰা হৈছে আৰু তেওঁলোকৰ আত্মবলিদানৰ বিষয়ে খোদিত কৰা হৈছে। অৱশেষত অহা ছহিদসকলৰ স্বীকৃতিয়ে ছহিদ পৰিয়ালসমূহক আনন্দিত কৰি তুলিছে। আজি আমি লৈ আহিছো ১৯৮৩ চনত নলবাৰীত ছহিদ হোৱা ঘনশ্যাম তালুকদাৰৰ জ্যেষ্ঠ ভাতৃ কৰুণাকান্ত তালুকদাৰৰ উপলব্ধি-

বাইট (ছহিদ পৰিয়াল)

কাইলৈ ছহিদ দিৱসৰ পূৰ্বে আজি বিয়লি থাপনা স্থাপন, ভাগৱত পাঠ, ছহিদ প্ৰণাম জ্যোতি প্ৰজ্বলন, অসম আন্দোলনৰ ছহিদৰ স্মৃতিত এগছিকৈ বন্তি প্ৰজ্বলন, দিহা নাম, থিয় নাম আদিৰ আয়োজন কৰা হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অক্ষয় বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পূৰ্বে আজি পুৱা মুখ্যমন্ত্ৰীয়ে ছহিদ স্মাৰক ক্ষেত্ৰত উপস্থিত হৈ কাইলৈ হ'বলগীয়া ছহিদ স্মাৰক ক্ষেত্ৰ উদ্বোধনৰ প্ৰস্তুতিৰ বুজ লয়। তেওঁ স্মাৰক ক্ষেত্ৰত কাইলৈ হ'বলগীয়া অনুষ্ঠানলৈ ৰাইজক আমন্ত্ৰণ জনাইছে।

আমাৰ সংবাদদাতাই জনোৱা মতে কাইলৈ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত কেন্দ্ৰীয়ভাৱে ছহিদ দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। পশ্চিম বৰাগাঁৱত নিৰ্মিত ছহিদ স্মাৰক ক্ষেত্ৰ মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আনুষ্ঠানিকভাৱে মুকলি কৰিব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ঐতিহাসিক অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি সন্মান জনাই তেওঁলোকৰ স্মৃতি সংৰক্ষণৰ লক্ষ্যৰে বৰাগাঁৱত এই ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰা হৈছে। এই ক্ষেত্ৰত প্ৰেক্ষাগৃহ, প্ৰাৰ্থনা গৃহ, চাইকেল ট্ৰেক আদিৰ উপৰি অসম আন্দোলন তথা ৰাজ্যখনৰ বুৰঞ্জীৰ বিভিন্ন ঘটনা প্ৰবাহক সামৰি শব্দ আৰু পোহৰৰ বিশেষ প্ৰদৰ্শনীৰো ব্যৱস্থা থাকিব।

ৰাজ্যৰ বিভিন্ন জিলাত ছহিদ দিৱস পালনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ছহিদৰ প্ৰতি শ্ৰদ্ধা জনাই সুধাকণ্ঠৰ **ছহিদ প্ৰণামো তোমাক** শীৰ্ষক গীতটি বিভিন্ন স্থানত সমূহীয়াকৈ পৰিবেশন কৰা হ'ব। ইয়াৰ উপৰি জিলা আৰু সম জিলাৰ সদৰসমূহতো কাইলৈ বিস্তৃত কাৰ্যসূচীৰে ছহিদ দিৱসৰ আয়োজন কৰা হৈছে।

০০০০০

ইণ্ডিগো বিমান বাতিল আৰু উৰণ-অৱতৰণৰ বিলম্ব হোৱা ঘটনাৰ ক্ষেত্ৰভিত্তিক পৰিস্থিতিৰ বুজ ল'বলৈ কেন্দ্ৰীয় চৰকাৰৰ অসামৰিক বিমান মন্ত্ৰালয়ৰ উপ-সঞ্চালক বিজয় প্ৰতাপ সিং আজি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হয়। বিমানৰ উৰণ-অৱতৰণত হোৱা খেলি-মেলিৰ বাবে যাত্ৰীসকলে সন্মুখীন হোৱা দুৰ্ভোগৰ বুজ ল'বলৈ উপ-সঞ্চালকগৰাকীয়ে যাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰে। ইয়াৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীসিঙে কয় যে কেন্দ্ৰীয় চৰকাৰে এই বিষয়ত যাত্ৰীৰ সুবিধা আৰু সুৰক্ষাক অগ্ৰাধিকাৰ দিছে। তৎসত্বেও যাত্ৰীসকলে সন্মুখীন হোৱা এই পৰিস্থিতি অতি দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰি তেওঁ ভৱিষ্যতে ইয়াৰ পুনৰাবৃত্তি নঘটাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হ'ব বুলি জানিবলৈ দিয়ে।

বাইট (বিজয় প্ৰতাপ সিং)

উল্লেখযোগ্য যে বিমান বাতিলৰ ফলত ইণ্ডিগো বিমান কৰ্তৃপক্ষই ইতিমধ্যে দেশজুৰি ৮২৭ কোটি টকা যাত্ৰীসকলক ঘূৰাই দিছে।

০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি নিশা ৯ বাজি ১৫ মিনিটত কামৰূপ মহানগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কল্পনা ডেকাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ পুনৰ প্ৰচাৰ কৰা হ'ব। বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰিত এই সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ কামৰূপ মহানগৰৰ সংবাদদাতা হেমন্ত বৰাই।

০০০০০

প্ৰধানমন্ত্ৰীৰ সমাগত অসম ভ্ৰমণৰ সময়ত নামৰূপৰ সাৰ কাৰখানাৰ চতুৰ্থটো গোটৰ আধাৰশিলা স্থাপন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ ল'বলৈ আজি মন্ত্ৰী প্ৰশান্ত ফুকন নামৰূপত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া ৰাজহুৱা সভাৰ স্থানত উপস্থিত হৈ বিভাগীয় বিষয়াসকলৰ সৈতে সামগ্ৰিক ব্যৱস্থাপনাৰ অগ্ৰগতিৰ বুজ লয়। জিলা আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষককে ধৰি জিলা প্ৰশাসনৰ বিভিন্ন বিষয়ববীয়াসকলেও মন্ত্ৰীগৰাকীক পৰিদৰ্শনকালত সংগ দিয়ে।

০০০০০

নতুন দিল্লীত আজি আয়োজিত এটা অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰীয় হস্তশিল্প বঁটাসমূহ প্ৰদান কৰে। হস্তকলাৰ বিভিন্ন দিশত দেখুওৱা পাৰদৰ্শিতাৰ বাবে এই বঁটা দেশৰ বিভিন্ন ৰাজ্যৰ শিল্পীসকলক প্ৰদান কৰা হয়। অনুষ্ঠানত অংশ লৈ ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ভাৰতীয় হস্তশিল্প অত্যন্ত চহকী বুলি মত প্ৰকাশ কৰাৰ লগতে এই শিল্পসমূহে ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্যক প্ৰতিফলিত কৰে বুলি উল্লেখ কৰে।

অনুষ্ঠানত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰা বাছনি লাভ কৰা হস্তশিল্পীসকলকো পুৰস্কৃত কৰা হয়।

০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী উপাচাৰ্য পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ নামেৰে নামকৰণ কৰা বিশ্ববিদ্যালয়খনৰ গ্ৰন্থাগাৰৰ সকলো গ্ৰন্থ ডিজিটাইজেচন কৰাৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছে। এই গ্ৰন্থাগাৰত সংৰক্ষিত কৃষ্ণকান্ত সন্দিকৈৰ নিজস্ব সংগ্ৰহৰ ইটালীয়ান, স্পেনিছ, জাৰ্মান, লেটিন, ফ্ৰান্স আদি ১১টাতকৈও অধিক ভাষাত উপলব্ধ প্ৰায় ৭ হাজাৰ ৫০০ খন গ্ৰন্থৰ ডিজিটাইজেচন কৰা হ'ব। বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰৰ উদ্যোগত আৰম্ভ হোৱা এই প্ৰক্ৰিয়াত প্ৰথম পৰ্যায়ত সংস্কৃত ভাষাৰ বিভিন্ন গ্ৰন্থক সামৰি লোৱা হ'ব। এই পদক্ষেপ সন্দৰ্ভত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য, অধ্যাপক ড০ ননীগোপাল মহন্ত আৰু গ্ৰন্থাগাৰিক ড০ প্ৰশান্ত কুমাৰ ডেকাই কৃষ্ণকান্ত সন্দিকৈ দেৱৰ মূল্যবান সংগ্ৰহসমূহ ডিজিটাইজেচন কৰাটো অতি প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰে। এই পদক্ষেপৰ জৰিয়তে পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ মহান আদৰ্শ, তেওঁৰ জীৱন আৰু কৰ্ম তথা পণ্ডিতগৰাকীৰ সংগ্ৰহৰ ভিন্নৰুচিৰ আৰু ভিন্ন ভাষাৰ গ্ৰন্থসমূহৰ বিষয়ে ভৱিষ্যত প্ৰজন্মই বিস্তৃত আভাস পোৱাৰ সুযোগ লাভ কৰিব বুলি আশা কৰা হৈছে।

০০০০০

সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ উদ্যোগত আজি গুৱাহাটীত অনুষ্ঠিত এখন চিন্তন বৈঠকত ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটে বিধানসভাত দাখিল কৰা প্ৰতিবেদনক লৈ আলোচনা কৰা হয়। আলোচনাৰ অন্তত বৈঠকৰ সিদ্ধান্তৰ বিষয়ে সদৰি কৰি সংগঠনটোৰ নেতা বসন্ত গগৈয়ে কয়, যে এই প্ৰতিবেদনত টাই-আহোম জনগোষ্ঠীক অনুসূচীত জনজাতি হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ ফলত জনগোষ্ঠীটো সামাজিক আৰু ৰাজনৈতিক দিশত কিদৰে সুৰক্ষিত হ'ব সেয়া চালি-জাৰি চাবলৈ অসম চৰকাৰৰ প্ৰাক্তন মহাধিবক্তা ৰমেশ বৰপাত্ৰ গোহাঁইক অধ্যক্ষ হিচাপে এখন ২১ জনীয়া উচ্চস্তৰীয় সমিতি গঠন কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

বজালীৰ অগ্ৰণী তথা ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শতবৰ্ষৰ সামৰণি অনুষ্ঠান অহা ১৬, ১৭ আৰু ১৮ জানুৱাৰীত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। সামৰণি অনুষ্ঠান সুচাৰুৰূপে সম্পন্ন কৰিবলৈ ইতিমধ্যে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা মন্ত্ৰী ৰণজিত কুমাৰ দাসক সভাপতি, স্বপন তালুকদাৰক কাৰ্যকৰী সভাপতি, ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰঞ্জন কুমাৰ চক্ৰৱৰ্তী আৰু হিমাংকন দাসক সাধাৰণ সম্পাদক হিচাপে লৈ শতবৰ্ষ উদযাপন সমিতি গঠন কৰা হৈছে। শতবৰ্ষ অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত বিদ্যালয়খনত শতবৰ্ষ উদযাপন সমিতিয়ে আজি এখন সংবাদমেলৰ আয়োজন কৰে। উল্লেখযোগ্য যে সংবাদমেলযোগে সমিতিৰ বিষয়ববীয়া তথা সদস্যসকলে শতবৰ্ষৰ সামৰণি কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তুলিবলৈ সকলোৰে সহায়-সহযোগিতাৰ কামনা কৰে।

০০০০০

আলহী দল দক্ষিণ আফ্ৰিকাক শেহতীয়া এদিনীয়া শৃংখলাত পৰাজিত কৰি আত্মবিশ্বাসী হৈ থকা ভাৰতে আজি কটকৰ বাৰাবতী ষ্টেডিয়ামত দলটোৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্য কুমাৰ যাদৱে নেতৃত্ব দিবলগীয়া খেলখনত হাৰ্ডিক পাণ্ডিয়া আৰু শুভমন গিলেও অংশগ্ৰহণ কৰিব বুলি যাদৱে নিশ্চিত কৰিছে। বি চি চি আইয়ে মুকলি কৰা এটা ভিডিঅ'যোগে উপ-অধিনায়ক শুভমন গিলে প্ৰয়োজনীয় চিকিৎসাৰ অন্তত সুস্থ হৈ উঠা বুলি ইতিমধ্যে প্ৰকাশ কৰিছে। এই শৃংখলাৰ পৰৱৰ্তী খেলখন অহা বৃহস্পতিবাৰে চণ্ডীগড়ৰ মুল্লানপুৰত, তৃতীয়খন খেল ধৰমশালাত, চতুৰ্থখন খেল লক্ষ্ণৌত আৰু আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অন্তিম খেলখন অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত